# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-01-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

***Headlines***

১। ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লা খনিত আবদ্ধ শ্ৰমিকৰ উদ্ধাৰ অভিযান অব্যাহত।

২। নেপাল আৰু তিব্বতত আজি পুৱা অহা ৭ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পত নিহতৰ সংখ্যা ১০০ হোৱাৰ আশংকা।

৩। ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰ চৰকাৰী বিদ্যালয়ৰ ১৪ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি চলা প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ আজি বহিঃমূল্যায়ন।

৪। ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া দেৱৰাজ উপাধ্যায়ক অসম লোকসেৱা আয়োগৰ অধ্যক্ষ নিযুক্তি।

আৰু

৫। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ১২ দিনীয়া অসম গ্ৰন্থমেলাৰ সামৰণি।

০০০০

ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ কয়লা খনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰ অভিযান অব্যাহত আছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ ৩০ জনীয়া আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ ৮ জনীয়া দলৰ লগতে নৌ সেনাৰ ডুবাৰুসকলে উদ্ধাৰ অভিযান পূৰ্ণগতিত চলাই আছে। উদ্ধাৰ অভিযানত নিয়োজিত দলে প্ৰকাশ কৰা অনুসৰি খনিটোৰ ভিতৰৰ পানী প্ৰায় ১০০ ফুটলৈ বৃদ্ধি পাইছে আৰু কেইবামিটাৰ দ পানীত আৱদ্ধ হৈ পৰা শ্ৰমিককেইজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰাৰ সম্ভাৱনা প্ৰায় নিৰ্বাপিত হৈছে। এই ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত অৱহেলাজনিত কাৰণত প্ৰাণহানি হোৱাৰ অভিযোগত উমৰাংছ’ আৰক্ষী থানাত এখন এজাহাৰ পঞ্জীয়ন কৰিছে। এই গোচৰ অনুসৰি ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক আটক কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশমৰ্মে খনি আৰু খনিজ বিভাগৰ মন্ত্ৰী কৌশিক ৰায় **তিন কিলো**-ৰ কয়লাখনিত উপস্থিত হৈ উদ্ধাৰকাৰ্যৰ তদাৰক কৰিছে। ডিমা হাচাওৰ আন কেইবাগৰাকীও ৰাজনৈতিক নেতাৰ লগতে আয়ুক্ত, আৰক্ষী অধীক্ষক আৰু আন উচ্চপদস্থ অসামৰিক বিষয়াসকলেও ঘটনাস্থলীত বাহৰ পাতি পৰিস্থিতি নিৰীক্ষণ কৰিছে। আবদ্ধ শ্ৰমিকসকলৰ পৰিয়ালৰ সদস্যসকলেও ঘটনাস্থলিত হৈ ভাল খবৰৰ বাবে উদ্বিগ্নতাৰে অপেক্ষা কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে এই কয়লাখনিত কয়লা আহৰণৰ কামত নিয়োজিত ২৭ জন শ্ৰমিক কালি পুৱা বাহিৰৰ পৰা হঠাৎ সোমাই অহা পানীত আৱদ্ধ হৈ পৰে। ইয়াৰে ১৮ জন শ্ৰমিক কোনোমতে বাহিৰলৈ ওলাই আহি প্ৰাণৰক্ষা কৰিবলৈ সমৰ্থ হয় যদিও আন ৯ জন শ্ৰমিক খনিৰ অভ্যন্তৰত আৱদ্ধ হৈ পৰে।

উল্লেখযোগ্য যে ২০১৪ চনত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে নিষেধাজ্ঞা আৰোপ কৰাৰ পাছতো কোনো কোনো স্থানত সৰু সৰু এন্দুৰৰ গাঁতসদৃশ গাঁত খান্দি খনিৰ আভ্যন্তৰণলৈ প্ৰৱেশ কৰি কয়লা আহৰণৰ অবৈধ খনন অব্যাহত আছে আৰু কেইবাগৰাকীও লোকে ৰাজ্যৰ বিভিন্ন খনিত ইয়াৰ পূৰ্বে প্ৰাণ হেৰুৱাইছে।

০০০০

নেপাল আৰু তিববতত আজি পুৱা অহা ৭ দশমিক ১ প্ৰাবল্যৰ ভূমিকম্পৰ ফলত নিহতৰ সংখ্যা ১০০ৰ ঘৰ চুবগৈ পাৰে বুলি আশংকা কৰা হৈছে। নেপালৰ চৰকাৰী সূত্ৰই জনোৱা মতে কাঠমাণ্ডুৰ পৰা প্ৰায় ২৮০ কিলোমিটাৰ উত্তৰ দিশত আৰু এভাৰেষ্ট শৃংগৰ পৰা প্ৰায় ৯০ কিলোমিটাৰ দূৰত্বত অভিকেন্দ্ৰ থকা এই ভূমিকম্পৰ ক্ষয়-ক্ষতিৰ সম্পূৰ্ণ তথ্য এতিয়াও আহি নোপোৱাৰ বাবে চৰকাৰীভাবে নিহত সংখ্যা ঠাৱৰ কৰিব পৰা হোৱা নাই। চীনৰ চৰকাৰী নিউজ সংস্থা ঝিনহুৱাৰ মতে তিববতত নিহত লোকৰ সংখ্যা ৫৩ হৈছেগৈ। এই ভূমিকম্পৰ ফলত ভূটানৰ পৰাও ধন-জনৰ ক্ষতি হোৱাৰ বাতৰি আহিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে উত্তৰ আৰু উত্তৰ-পূব ভাৰতত আজি পুৱা প্ৰায় ৬ বাজি ৩৫ মিনিটত এটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। তিববতৰ ঝিয়াং নামৰ ঠাইত উৎপত্তি হোৱা এই ভূমিকম্পৰ জোকাৰণি ভাৰতৰ ছিকিম, বিহাৰ আৰু উত্তৰবংগৰ বিভিন্ন স্থানৰ লগতে অসমতো অনুভূত হয়। উল্লেখযোগ্য যে, ২০১৫ চনৰ এপ্ৰিলত নেপালত হোৱা ৭ দশমিক ৮ প্ৰাবল্যৰ প্ৰচণ্ড ভূমিকম্পত প্ৰায় ৯ হাজাৰ লোকে প্ৰাণ হেৰুওৱাৰ উপৰি ২০ হাজাৰতৈকও অধিক লোক আহত হৈছিল।

০০০০০

ৰাজ্যৰ ১১ খন জিলাৰ ১৬ হাজাৰ চৰকাৰী বিদ্যালয়ৰ ১৪ লাখৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি কালি আৰম্ভ হোৱা এই বছৰৰ প্ৰথম পৰ্যায়ৰ গুণোৎসৱৰ আজি বহিঃমূল্যায়ন কৰা হৈছে। গুণোৎসৱৰ আজি দ্বিতীয় দিনা শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে লখিমপুৰ জিলাৰ পদ্মনাথ গোহাঁইবৰুৱা উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰি কাৰ্যসূচীৰ বুজ লয়। ৭ ফেব্ৰুৱাৰীলৈ তিনিটা পৰ্যায়ত হ'বলগীয়া এই গুণোৎসৱ ৰাজ্যৰ শিক্ষা খণ্ডৰ গুণগত মান নিশ্চিতকৰণৰ নিৰন্তৰ প্ৰয়াস বুলিও শিক্ষা মন্ত্ৰীয়ে মন্তব্য কৰে। কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজি আমিনগাঁও বেংগলী বিদ্যালয়ত গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিৱসাগৰ জিলাতো এহেজাৰ ২৪১ খন শিক্ষানুষ্ঠানৰ ৭০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীক সামৰি গুণোৎসৱ অনুষ্ঠিত হৈছে। ইয়াৰ বাবে ৪৮২ গৰাকী বহিঃমূল্যায়ক, ১২৩ গৰাকী সমন্বয়ক আৰু এহেজাৰ ২৪১ গৰাকী ন'ডেল শিক্ষক নিয়োগ কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডা দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি নিশা গুৱাহাটীত উপস্থিত হ'ব। নিশাটো তেওঁ গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কাইলৈ পুৱা তেজপুৰলৈ যাত্ৰা কৰিব। ইয়াৰ পাছত তেওঁ দুপৰীয়া মঙলদৈলৈ আহিব আৰু দিনৰ ১২ বজাত মঙলদৈ অসামৰিক চিকিৎসালয়ত নিৰ্মাণ কৰিবলগীয়া ক্ৰিটিকেল কেয়াৰ ইউনিটৰ আধাৰশিলা স্থাপন কৰিব। আমাৰ মঙলদৈৰ সংবাদদাতাই জনোৱা মতে প্ৰধানমন্ত্ৰী আয়ুস্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযানৰ অধীনত ২৩ কোটি ৭৫ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া এই ক্ৰিটিকেল কেয়াৰ ইউনিটটো সম্পূৰ্ণ হৈ উঠিলে দৰং আৰু ওদালগুৰি জিলাৰ স্বাস্থ্য খণ্ডত প্ৰভূত উন্নতি সাধন হ'ব। ইয়াৰ পাছত তেওঁ মঙলদৈ অসামৰিক চিকিৎসালয় পৰিসৰত স্থাপিত দৰং কৰ্কট কেন্দ্ৰ, গেৰিমাৰীত নিৰ্মীয়মান অসম দক্ষতা বিশ্ববিদ্যালয় আৰু ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ চাৰি লেনযুক্ত বাইপাছৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰিব। শ্ৰী নাড্ডাই কাইলৈ ছিপাঝাৰ অসামৰিক চিকিৎসালয়ো পৰিদৰ্শন কৰাৰ লগতে মঙলদৈত জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ মুৰব্বী বিষয়াসকলৰ সৈতে বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এই ভ্ৰমণকালত তেওঁক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া আৰু দৰঙৰ কেইবাগৰাকীও বিধায়কে সংগ দিব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

কেন্দ্ৰীয় অসামৰিক যোগান, গ্ৰাহক পৰিক্ৰমা তথা সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাই আজি তিনিচুকীয়া জিলা ভ্ৰমণ কৰি বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে।

০০০০

ভাৰতীয় আৰক্ষী সেৱাৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ বিষয়া দেৱৰাজ উপাধ্যায়ক অসম লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হৈছে। ৰাজ্যপালৰ অনুমোদন সাপেক্ষে আজি অসম চৰকাৰৰ কৰ্মচাৰী প্ৰশাসন বিভাগে এই সম্পৰ্কীয় অধিসূচনা জাৰি কৰিছে। উল্লেখযোগ্য যে ভাৰত ভূষণ দেৱ চৌধুৰীয়ে অৱসৰ গ্ৰহণ কৰাৰ পাছত লোকসেৱা আয়োগৰ অধ্যক্ষৰ পদটো খালী হৈ আছিল। ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত দুগৰাকী বিষয়া মৃগেশ নাৰায়ণ বৰুৱা আৰু ভাস্কৰ ফুকনে বৰ্তমান অসম লোকসেৱা আয়োগৰ সদস্যৰূপে কাৰ্যনিৰ্বাহ কৰি আছে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া ভাৰতভূষণ দেৱচৌধুৰীক গুৱাহাটী বিশ্ববিদ্যালয়ে ৰাজনীতি বিজ্ঞান বিভাগৰ সন্মানীয় অতিথি অধ্যাপক হিচাপে মনোনীত কৰিছে। সুদীৰ্ঘ কালৰ প্ৰশাসনিক অভিজ্ঞতা আৰু দক্ষতাৰ বাবে দেৱচৌধুৰীক এই পদবীৰ বাবে মনোনীত কৰা বুলি বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ তৰফৰ পৰা জনোৱা হৈছে। তেওঁ অসামৰিক প্ৰশাসন সম্পৰ্কীয় বিষয়সমূহৰ পাঠদান কৰাৰ উপৰি বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰীয় তথা ৰাজ্যিক লোকসেৱা আয়োগৰ দ্বাৰা অনুষ্ঠিত প্ৰতিযোগিতামূলক পৰীক্ষাবোৰৰ বাবে প্ৰস্তুতিৰ প্ৰশিক্ষণ আগবঢ়াব।

০০০০০০০

যোৱা কিছুদিনত টেলিফোন কৰাৰ সময়ত টেলিকম কোম্পানীসমূহে গ্ৰাহকৰ মোবাইল ফোনলৈ অতি বিকৃত উচ্চাৰণেৰে চাইবাৰ সজাগতা সম্পৰ্কীয় এটা বাৰ্তা প্ৰেৰণ সম্পৰ্কত বিভিন্ন মহলত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সদৌ অসম ছাত্ৰ সন্থাই আজি এই বিজ্ঞাপনটো সন্দৰ্ভত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ এখন জৰুৰী পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰখনত ছাত্ৰ সংগঠনটোৱে এই বিভ্ৰান্তিকৰ বাৰ্তাৰ প্ৰচাৰে ধ্ৰুপদী মৰ্যাদা লাভ কৰা অসমীয়া ভাষাৰ অৱমাননা কৰা বুলি অভিযোগ কৰিছে আৰু অবিলম্বে এই বাৰ্তাৰ প্ৰচাৰ বন্ধ কৰিবলৈ পত্ৰযোগে প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চৰ্জুন হাজৈই আজি গুৱাহাটীত প্ৰকাশ কৰা অনুসৰি অসমীয়া ভাষাৰ উচ্চাৰণ আৰু ব্যাকৰণৰ সামান্যতমো ধাৰণা নথকা বহিঃৰাজ্যৰ বণিকগোষ্ঠীয়ে দিয়া এনে বাৰ্তা আৰু বিজ্ঞাপন অসমৰ বিভিন্ন টেলিভিছন আৰু বাতৰিকাকতত প্ৰচাৰিত হৈছে। ছাত্ৰ সংগঠনটোৱে এয়া অসমবাসীৰ প্ৰতি অপমানজনক বুলি মন্তব্য কৰি এনে বাৰ্তা আৰু বিজ্ঞাপন অসমীয়া ভাষাৰ সম্যক জ্ঞান থকা স্থানীয় বৃত্তিজীৱিৰ দ্বাৰাহে প্ৰস্তুত কৰা উচিত বুলি পত্ৰখনত মত প্ৰকাশ কৰে।

০০০০০০

নিৰ্বাচন আয়োগে আজি কেন্দ্ৰীয় শাসিত অঞ্চল দিল্লী বিধানসভা নিৰ্বাচনৰ তাৰিখ ঘোষণা কৰিছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰে আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত ৭০ জনীয়া দিল্লী বিধানসভাৰ নিৰ্বাচনৰ সূচী ঘোষণা কৰে। সেই অনুসৰি ১০ জানুৱাৰীত বিধানসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। ১৭ জানুৱাৰী হ'ব মনোনয়ন দাখিলৰ অন্তিম দিন। ১৮ জানুৱাৰীত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২০

জানুৱাৰী হ’ব মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন। ৫ ফেব্ৰুৱাৰীত ভোটগ্ৰহণ কৰা হ’ব আৰু ৮ ফেব্ৰুৱাৰীত ভোটগণনা কৰা হ’ব আৰু সেইদিনাই দুপৰীয়াৰ ভিতৰত ফলাফল ঘোষণা কৰা হ’ব।

০০০০০০০

ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে এজন শিক্ষক থকা বা এজনো শিক্ষক নথকা বিদ্যালয়সমূহত তাৎক্ষণিকভাৱে প্ৰয়োজনীয় শিক্ষক নিযুক্তি দিবলৈ সংশ্লিষ্ট জিলা প্ৰাথমিক শিক্ষা বিষয়া আৰু বিদ্যালয় পৰিদৰ্শকক নিৰ্দেশ দিছে। জিলা আয়ুক্তৰ অনুমোদনমৰ্মে জিলা প্ৰাথমিক শিক্ষা বিষয়া অথবা বিদ্যালয় পৰিদৰ্শক সকলে এনে বিদ্যালয়সমূহ সুচাৰুৰূপে পৰিচালনাৰ বাবে শিক্ষক নিযুক্তি দিব পাৰিব বুলি বিদ্যালয় শিক্ষা বিভাগে এটা নিৰ্দেশনাত প্ৰকাশ কৰিছে।

০০০০০০

চিৰাং জিলাৰ সদৰ কাজলগাঁওস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সভাকক্ষত আজি জিলাখনৰ প্ৰাথমিক পৰ্যায়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ মাজত বুনিয়াদী স্তৰৰ সাক্ষৰতা শিক্ষণ-শিকন সামগ্ৰীৰ জিলা পৰ্যায়ৰ প্ৰদৰ্শনী তথা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বুনিয়াদী স্তৰৰ পাঠদান সৃষ্টিশীল, আনন্দদায়ক আৰু ফলপ্ৰসূ কৰাৰ উদ্দেশ্যে আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত শিক্ষণ সামগ্ৰীৰ প্ৰতি সজাগতা সৃষ্টিৰ লক্ষ্যৰে আয়োজন কৰা এই প্ৰদৰ্শনী তথা প্ৰতিযোগিতাত জিলাখনৰ চিদলী আৰু বড়োবজাৰ শিক্ষা খণ্ডৰ নিৰ্বাচিত মুঠ ১২ খন বিদ্যালয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

তামুলপুৰৰ প্ৰাক্তন বিধায়ক তথা বড়ো আন্দোলনৰ হোতা ডেৰহাগ্ৰা মুছাহাৰীৰ স্মৃতিত আজি কালাঝাৰাত থকা তেওঁৰ বাসগৃহত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে **গোছোখাংথি বিজাব** নামৰ এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰে। বিটিআৰ চৰকাৰৰ তৰফৰ পৰা পৰৱৰ্তী সময়ত বিধায়কগৰাকীৰ স্মৃতিত এটা প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ’ব বুলি শ্ৰীবড়োৱে প্ৰকাশ কৰে।

০০০০০০

সাহিত্য-সংস্কৃতি-ভাষা-ইতিহাস আদিকে ধৰি এলানি বৰ্ণিল কাৰ্যসূচীৰে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত ১২ দিনীয়া অসম গ্ৰন্থমেলাৰ আজি সামৰণি পৰিব। অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত অনুষ্ঠিত এই গ্ৰন্থমেলাত প্ৰায় ৭ কোটি টকাৰ কিতাপ বিক্ৰী হয় বুলি প্ৰকাশন পৰিষদে প্ৰকাশ কৰিছে। আজি অন্তিম দিনাৰ সামৰণি অনুষ্ঠানত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ সচিব তথা শৈক্ষিক মুৰব্বী ড০ সচ্চিদানন্দ যোশীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। শ্ৰীযোশীয়ে অসম গ্ৰন্থমেলাত ৭ কোটি টকাৰ গ্ৰন্থ বিক্ৰী হোৱাতো অতি আনন্দৰ কথা বুলি উল্লেখ কৰি কয়, যে গ্ৰন্থই এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ জ্ঞান কঢ়িয়াই নিয়া। অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহাই সভাপতিত্ব কৰা এই অনুষ্ঠানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে।

০০০০০০

ভোগালী বিহুলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিশেষ প্ৰস্তুতি আৰম্ভ হৈছে। সৰুপথাৰ সমজিলাত অসম ৰাজ্যিক জীৱিকা অভিযানৰ উদ্যোগত চেৰাগুৰি সাধনী উদ্যানত আজিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলাৰ আয়োজন কৰা হৈছে। গোলাঘাট জিলাৰ অভিভাৱক

মন্ত্ৰী ৰূপেশ গোৱালাই উদ্বোধন কৰা এই ভোগালী মেলাত সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকে। এই মেলাত সমষ্টিটোৰ অন্তৰ্গত ২০ টাতকৈও অধিক আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। প্ৰতিবছৰে আত্মসহায়ক গোটৰ মহিলাসকলক স্বাৱলম্বী কৰাৰ লক্ষ্যৰে অসম মহিলা গ্ৰামীণ জীৱিকা অভিযানে ৰাজ্যৰ বিভিন্ন স্থানত ভোগালী মেলাৰ আয়োজন কৰি আহিছে। গুৱাহাটী মহানগৰীতো ভোগালী বিহুক আদৰাৰ বাবে প্ৰস্তুতি তুংগত উঠিছে। পাথৰকোৱাৰী ভোগালী বিহু উদযাপন সমিতিয়ে আজিৰেপৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে নাৰেংগী ক্ৰীড়া খেলপথাৰত বিশেষ আয়োজন কৰিছে। সেই অনুসৰি মেজি, আকৰ্ষণীয় ভেলাঘৰ, ঢেকীশাল, গোহালিঘৰ, ভঁৰালঘৰ, নামঘৰ আদি নিৰ্মাণ কৰিছে।

০০০০০০০

কামৰূপ মহানগৰ জিলা প্ৰশাসনে জালুকবাৰী উৰণসেতুৰ সমীপত হোৱা অস্বাভাৱিক যান-জঁট দূৰ কৰাৰ বাবে এই সমগ্ৰ অঞ্চলটো ন' বাছ ষ্টপ, ন' পাৰ্কিং আৰু ন' ভেণ্ডিং জ'ন হিচাপে ঘোষণা কৰিছে। অতিৰিক্ত জিলা দণ্ডাধীশ ড° জীৱন কৃষ্ণ গোস্বামীয়ে আজি এই মৰ্মে জাৰি কৰা এটা নিৰ্দেশনা অনুসৰি জালুকবাৰী উৰণ সেতুৰ ওপৰত সকলোধৰণৰ অকৰ্তৃত্বশীল পাৰ্কিং, অকৰ্তৃত্বশীল পথ ব্যৱসায় আঁতৰাবলৈ নিৰ্দেশ দিয়া হৈছে আৰু অকৰ্তৃত্বশীলভাৱে যাত্ৰীবাহী বাহন ৰখোৱা কাৰ্যক অবৈধ বুলি ঘোষণা কৰা হৈছে।

০০০০০০০

বিগত কিছুদিন ধৰি কলিয়াবৰ চাহ বাগিচা আৰু ইয়াৰ সমীপৱৰ্তী সোণাৰি কামাখ্যা অঞ্চলত বাঘৰ আতংক অব্যাহত আছে। জনবসতিপূৰ্ণ অঞ্চলত বাঘৰ বিচৰণ প্ৰত্যক্ষ কৰাৰ পাছতে বনবিভাগে ছাত্ৰ-ছাত্ৰীসকলক পহৰা দি বিদ্যালয়লৈ অনা-নিয়া কৰিছে। বাঘৰ ভয়ত প্ৰায় দুমাহ ধৰি বিদ্যালয়লৈ যোৱাৰ পৰা বিৰত থকা কলিয়াবৰ চাহ বাগিচাৰ ১৫ নম্বৰ বাগানৰ দাঁতি কাষৰীয়া টিমনাবস্তি আৰু কেন্দুপামৰ ছাত্ৰ-ছাত্ৰীসকলক গুণোৎসৱৰ বাবে বনবিভাগে এনেদৰে নিৰাপত্তা প্ৰদান কৰিছে। জনাঞ্চলত বাঘৰ বিচৰণৰ বিষয়টোত উদ্বেগ প্ৰকাশ কৰি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষে কলিয়াবৰৰ কামাখ্যা গাঁৱত এখন সভা অনুষ্ঠিত কৰে। সভাত বিসংগতিপূৰ্ণ বৈদ্যুতিক বেৰা, পহৰাৰ বাবে পৰ্যাপ্ত বন কৰ্মীৰ অভাৱ, বন বিভাগৰ বাহনৰ অভাৱ আদি বিভিন্ন বিষয় গাঁওবাসীয়ে উত্থাপন কৰে। এই সভাতে স্থানীয় বিধায়ক তথা ৰাজহ বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত বনৰীয়া জন্তুৰ আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ পৰিয়ালক ক্ষতিপূৰণ প্ৰদান কৰা হয়।

০০০০০০০

শ্ৰোতাসকলে বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কীয় যিকোনো অভিযোগ বা পৰামৰ্শ WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ দিব পাৰে। শ্ৰোতাসকলৰ পৰা লাভ কৰা বাৰ্তাৰ ভিত্তিত, অহা ১১ জানুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰা হ'ব। ইয়াত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব। শ্ৰোতাসকলৰ সৈতে বাতৰি বিভাগৰ সম্পৰ্ক অধিক নিবিড় কৰাৰ প্ৰয়াস হিচাপে প্ৰচাৰ কৰা এইটো হ'ব এই সম্পৰ্কীয় দ্বিতীয়টো অনুষ্ঠান।

০০০০০০০

**সমাপ্ত**